জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৬৮/২০২১

## পেঞ্চন সঞ্চালকালয় পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

## অৱসৰৰ দিনাখনেই পেঞ্চন প্ৰদানৰ পদ্ধতি এটা আৰম্ভ কৰাৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ লৈ আছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৪ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মহানগৰীৰ হাউছফেডস্থিত পেঞ্চন সঞ্চালকালয় পৰিদৰ্শন কৰি পেঞ্চনৰ বিষয়সমূহৰ বিলম্বতা আৰু মীমাংসাৰ দিশসমূহ পৰ্যালোচনা কৰে।

পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰী ড° শৰ্মাই অৱসৰ গ্ৰহণ কৰাৰ দিনাখনেই সঞ্চালকালয়ৰ অধীনস্থ পেঞ্চনাৰসকলে যাতে পেঞ্চন লাভ কৰাটো নিশ্চিত কৰিব পৰা যায় তাৰ বাবে ‘কৃতজ্ঞতা’ শীৰ্ষক প’ৰ্টেল আৰু আমট্ৰণৰ পেঞ্চন প’ৰ্টেল যুক্ত কৰি ২০২২ চনৰ জানুৱাৰীৰ ভিতৰত কোষাগাৰ বিষয়াসকলৰ কাৰ্যালয়ৰ সৈতে ইয়াৰ সংযোগ স্থাপনৰ পদক্ষেপ লোৱাৰ বাবে আমট্ৰণক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। এই পদক্ষেপে পেঞ্চন প্ৰদান  পদ্ধতিটোক কাগজবিহীন আৰু ক্ষিপ্ৰ কৰি তুলিব।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অৱসৰ গ্ৰহণ কৰাৰ দিনাখনেই এগৰাকী কৰ্মচাৰীক যাতে পেঞ্চন প্ৰদান কৰিব পৰা যায় তাৰ বাবে এক পদ্ধতি উপলব্ধ কৰাৰ বাবে ৰাজ্য চৰকাৰে কাম কৰি আছে। মুখ্যমন্ত্ৰীয়ে আমট্ৰণক প্ৰত্যেক কাৰ্যালয়ৰ ডি ডি অ’সকললৈ একোটিকৈ স্কেনাৰ যোগান ধৰাৰ বাবেও নিৰ্দেশ দিয়ে। যাৰ জৰিয়তে এগৰাকী অপাৰেটৰে পেঞ্চনাৰগৰাকীৰ সকলো নথি আপলোড কৰিব। পেঞ্চন সঞ্চালকালয়ে এই নথিসমূহ ডাউনলোড কৰিব আৰু ডিজিটেল স্বাক্ষৰৰ পিছত সেয়া নিষ্পত্তি কৰিব। এই পদ্ধতিয়ে কায়িক নথিৰ প্ৰয়োজনীয়তা নোহোৱা কৰিব আৰু পেঞ্চন প্ৰদানৰ দিশটো ক্ষিপ্ৰ কৰি তুলিব।

পৰিদৰ্শন কালত মুখ্যমন্ত্ৰীয়ে বৰ্তমান পেঞ্চন সঞ্চালকালয়ে প্ৰতিমাহে ১ হাজাৰ টাকৈ পেঞ্চন মীমাংসাৰ দিশটোক বৃদ্ধি কৰি মাহেকত ১৫০০ টা পেঞ্চনৰ বিষয় নিষ্পত্তি কৰাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰিবলৈ নিৰ্দেশ দিয়ে। পেঞ্চানৰসকলে তেওঁলোকৰ অৱসৰ গ্ৰহণৰ ৬ মাহৰ আগতে তেওঁলোকৰ নথিসমূহ দাখিল কৰণৰ প্ৰয়োজনীয়তাৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব প্ৰদান কৰে যাতে তেওঁলোকৰ পেঞ্চন পেমেন্টৰ অৰ্ডাৰ তেওঁলোকৰ অৱসৰ গ্ৰহণৰ দিনাখনেই উপলব্ধ কৰিব পৰা যায়।

মুখ্যমন্ত্ৰীয়ে ‘কৃতজ্ঞতা’ পোৰ্টেলৰ জৰিয়তে ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৰ ২৭২ গৰাকী অবিবাহিতা নোহোৱা জীয়ৰীলৈ পৰিয়াল পেঞ্চন আৰু ২১১৫ সংখ্যক অনুকম্পামূলক পৰিয়াল পেঞ্চন প্ৰদানৰ বিষয়টোও পৰ্যালোচনা  কৰে।

**স্বাক্ষৰ / বঃভাঃ**

**১৪-০৯-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in
**E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in